গোট-৬
অধ্যায়-১৩

# অসম

ভাৰত গণৰাজ্যৰ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ একেবাৰে সোঁমাজত থকা ৰাজ্যখনেই হ'ল অসম। প্ৰায় ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ মাটিকালিৰে অসম প্ৰদেশখন অৰুণাচলৰ প্ৰদেশৰ পিচতে উত্তৰ-পূৰ্বাঞ্চলৰ দ্বিতীয় বৃহৎ ৰাজ্য। অসমে ভাৰতবৰ্ষৰ মুঠ মাটিকালিৰ শতকৰা ২.৩৯ ভাগহে আবৰি আছে যদিও ইয়াত দেশৰ মুঠ জনসংখ্যাৰ শতকৰা ২.৫৯ ভাগ অৰ্থাৎ ২৬.,৬৩৮,৪০৭ জন লোকে (২০০১ চনৰ লোকপিয়লমতে) বসবাস কৰে। অসম প্ৰদেশখন ২১°৫১´ উত্তৰ অক্ষৰেখাৰ পৰা ২৭°৫৮´ উত্তৰ অক্ষৰেখালৈ আৰু ৮৯°৪৯ পূৱ দ্ৰাঘিমা ৰেখাৰ পৰা ৯৭°২৫´ পূব দ্ৰাঘিমা ৰেখালৈকে ব্যাপ্ত। দুখন বিদেশী ৰাষ্ট্ৰ ভূটান আৰু বাংলাদেশে ক্ৰমে অসমৰ উত্তৰ সীমাৰ একাংশ আৰু দক্ষিণ-পশ্চিম দিশ পৰিবেষ্টিত কৰি ৰাখিছে। ইয়াৰ বাহিৰে উত্তৰদিশে আমাৰ ভাৰতৰে অৰুণাচল প্ৰদেশ, পূব দিশে আকৌ অৰুণাচল প্ৰদেশৰ একাংশৰ লগতে নাগালেণ্ড, মণিপুৰ, দক্ষিণে মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু পশ্চিমসীমাত বাংলাদেশৰ মৈমনচিং আৰু ৰংপুৰ জিলা আৰু পশ্চিমবংগৰ কোচবিহাৰ জিলা অৱস্থিত।

এইখিনিতে এটা উল্লেখনীয় আৰু বৰ মন কৰিবলগীয়া কথাটো হ'ল এই যে অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক ভাৰতবৰ্ষৰ মূল ভূভাগৰ লগত এক অতি ঠেক ভূমিখণ্ডই সংলগ্ন কৰি ৰাখিছে। উত্তৰ বংগৰ অন্তৰ্গত এই ভূমিখণ্ড পূবে মাত্ৰ ৩৩ কিলোমিটাৰ আৰু পশ্চিমে মাত্ৰ ২১ কিলোমিটাৰ বহল। সেয়েহে এই অঞ্চলত মুষলধাৰ বৰষুণ, বানপানী হৈ ৰে'লপথ, স্থলপথ আদি বন্ধ হ'লে সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চল ভাৰতৰ মূল ভূমিখণ্ডৰ পৰা বিচ্ছিন্ন হৈ পৰে।

**ভূ-প্ৰকৃতি ঃ** ভূতাত্ত্বিক সংৰচনা আৰু প্ৰাকৃতিক গঠন অনুযায়ী অসমক তলত দিয়াধৰণে প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি।

১। পাৰ্বত্য অঞ্চল

(ক) কাৰ্বি মালভূমি

(খ) উত্তৰ কাছাৰ পাহাৰ

www.dailyassam

২। উপত্যকা অঞ্চল বা নদীৰে গঠিত সমভূমি

(ক) ব্ৰহ্মপুত্ৰ উপত্যকা

(খ) বৰাক উপত্যকা

**১। পাৰ্বত্য অঞ্চল ঃ** অসমৰ পাৰ্বত্য অঞ্চলে প্ৰধানকৈ কাৰ্বি আংলং আৰু ডিমা হাচাও এই জিলা দুখনে আগুৰি আছে। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ মালভূমি অঞ্চলটো অৰ্থাৎ মেঘালয়-কাৰ্বি মালভূমিটো প্ৰকৃততে দাক্ষিণাত্য মালভূমিৰ এক বিচ্ছেদিত অংগ। দাক্ষিণাত্য মালভূমিৰ পূব দিশত থকা ছোটনাগপুৰ মালভূমিৰ সৈতে উত্তৰ-পূবৰ এই মালভূমি অঞ্চল মাটিৰ তলেৰে (underground extension) সংযোজিত (পৰান্তশায়ী) হৈ আছে বুলি ঠাৱৰ কৰা হৈছে। এই সংযোজিত অংশটো যিটোক ৰাজমহল-মালদহ-গাৰো বিদৰ (Rajmahal-Maldah Garo Gap) বুলি কোৱা হয়, সি প্ৰকৃততে এটা অৱসংবলনৰ (downwoap) ফলত সৃষ্টি হৈছিল আৰু কালক্ৰমত এই অৱনমিত ফাকেদি ব্ৰহ্মপুত্ৰ আৰু গংগা নদী বৈ যোৱাত নদী দুখনৰ সাৰুৱা পলসুৱা মাটিৰ এক চামনি (দাক্ষিণাত্য মালভূমিৰ অতি পুৰণি শিলাখণ্ডৰ উপৰিভাগত) সৃষ্টি হয়। উত্তৰ-পূবৰ এই মালভূমিঅঞ্চলো অতি পুৰণি প্ৰাক-কেমব্ৰিয়ান কল্পৰ (Pre-Cambrian period) শিলাখণ্ডেৰে গঠিত। এই শিলাসমূহ হ'ল প্ৰধানকৈ গ্ৰেনাইট, নাইছ, ছিষ্ট আদি আগ্নেয় আৰু ৰূপান্তৰিত শিলা। কিন্তু মনত ৰাখিবলগীয়া কথা এয়ে যে দাক্ষিণাত্য মালভূমিৰ অংশবিশেষ যদিও আমাৰ উত্তৰ-পূবৰ মালভূমি অঞ্চলটো দাক্ষিণাত্যতকৈ অধিক পৰ্বতীয়া।

আনহাতে আকৌ আমাৰ অসমৰ কাৰ্বি মালভূমিও মেঘালয় মালভূমিৰ পৰা বিচ্ছেদিত হৈছে কপিলী আৰু ইয়াৰ উপনদীসমূহৰ শীৰ্ষ নদীবোৰৰ (headstraems) খনন কাৰ্যৰ ফলত। কাৰ্বি মালভূমিৰ দক্ষিণ দিশত কপিলীৰ উপনদী যমুনা আৰু লগতে পূব দিশত ধনশিৰি আৰু ইয়াৰ উপনদীসমূহে এই মালভূমিক ক্ৰমান্বয়ে উত্তৰ কাছাৰ পাহাৰ আৰু নাগালেণ্ডৰ ভংগিল পৰ্বতসমূহৰ পৰা পৃথক কৰিছে। ডামুক আৰু সিংহাসন (১৪৫৯ মিঃ) শৃংগৰে সৈতে কাৰ্বি মালভূমিৰ মধ্যভাগটো (যাক ৰেংমা পাহাৰ নামেৰে জনা যায়) ওখ হোৱাৰ বাবে গোটেই মালভূমিটো কাছপিঠীয়া। সেয়েহে ইয়াৰ পৰা অসংখ্য নদী চক্ৰাকাৰে (radially) ওলাই আহি মালভূমিটোক আগুৰি থকা কপিলী, কলং আৰু ধনশিৰিলৈ বৈ গৈছে।

কাৰ্বি মালভূমিৰ দক্ষিণ, দক্ষিণ-পশ্চিম দিশত উত্তৰ কাছাৰ পাহাৰ অৱস্থিত। ইয়াৰ উত্তৰ অংশক বাদ দি বাকী গোটেই অঞ্চলটোৱেই বৰাইল পাহাৰৰ অংশ বিশেষ। নৱজীৱী কল্পত (Tertiary period) সৃষ্টি হোৱাৰ বাবে বৰাইল পাহাৰৰ ভূতাত্ত্বিক সংৰচনা কাৰ্বি মালভূমিতকৈ বেলেগ আৰু ই পূব হিমালয়ৰ নবীন ভংগিল পৰ্বতসমূহৰহে অন্তৰ্গত। এই পাহাৰে উত্তৰে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু দক্ষিণে বৰাক উপত্যকাৰ মাজত এক বিচ্ছেদকৰূপে (divider) অৱস্থান কৰি আছে।

**২। উপত্যকা অঞ্চল ঃ** অসমৰ উপত্যকা অঞ্চলটো অসমৰ মাজেদি বৈ যোৱা ব্ৰহ্মপুত্ৰ নদী আৰু দক্ষিণেদি বৈ যোৱা বৰাক নদী— এই দুখন নদীয়ে গঠন কৰা সমভূমি অঞ্চল। এই অঞ্চল দুটা হ'ল—

(ক) ব্ৰহ্মপুত্ৰ উপত্যকা

(খ) বৰাক উপত্যকা।


**(ক) ব্ৰহ্মপুত্ৰ উপত্যকা ঃ** অসম ৰাজ্যত পূবা-পশ্চিমাকৈ বিস্তৃত হৈ থকা এই উপত্যকা এক ঠেক আৰু দীঘলীয়া সমভূমি অঞ্চল। ইয়াৰ প্ৰস্থ গড়ে ৭০ কিলোমিটাৰ, দৈৰ্ঘ্য ৭২০ কিলোমিটাৰ আৰু আয়তন ৫৬,৪৮০ বৰ্গ কিলোমিটাৰ। পশ্চিম দিশৰ বাহিৰে বাকী তিনিওদিশে এই উপত্যকাক ভূটান আৰু অৰুণাচল হিমালয়, পাটকাই পৰ্বত, নগাপাহাৰ, বৰাইল পাহাৰ, মেঘালয়-কাৰ্বি মালভূমিয়ে আগুৰি আছে। ৰাজ্যৰ সোঁমাজেদি পূবৰ পৰা পশ্চিমলৈ বৈ যোৱা ভাৰতৰ অন্যতম প্ৰধান নদী ব্ৰহ্মপুত্ৰ নদীয়ে এই উপত্যকাৰ সৃষ্টি কৰিছে। উজনি অসমৰ ফালে এই উপত্যকা বহল— গড়ে প্ৰায় ১০০ কিলোমিটাৰ; কিন্তু মধ্যভাগৰ কাৰ্বি পাহাৰৰ কাষত ইয়াৰ প্ৰস্থ যথেষ্ট কম— প্ৰায় ৫০ কিলোমিটাৰমানহে। পশ্চিমলৈ এই উপত্যকা আকৌ বহল হয় যদিও গুৱাহাটীৰ ওচৰে-পাঁজৰে মেঘালয় মালভূমিৰ বিক্ষিপ্ত টিলাসমূহৰ অৱস্থিতিৰ বাবে উপত্যকাটো পুনৰ ঠেক হৈ পশ্চিমলৈ আকৌ বহল হৈ গৈছে।

ভূবিজ্ঞানীসকলৰ মতে ভূ আন্দোলনৰ ফলত টেথিছ সাগৰৰ পৰা হিমালয় পৰ্বতমালা উত্থিত হোৱাৰ সময়ত উত্তৰৰ পৰ্বতমালা আৰু দক্ষিণৰ মালভূমিৰ মাজত এটি অগ্ৰখাট বা অগ্ৰণমনৰ (Foredeep) উৎপত্তি হৈছিল। কালক্ৰমত উত্তৰ আৰু দক্ষিণৰ উচ্চভূমিসমূহৰ পৰা বৈ অহা নদী-উপনদীসমূহৰ অৱক্ষেপ জমা হৈ গংগা উপত্যকাৰ লগতে উত্তৰ-পূবৰ এই ব্ৰহ্মপুত্ৰ উপত্যকাৰো সৃষ্টি হয়।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ ঢাল পূবৰ শদিয়াৰ পৰা দক্ষিণ-পশ্চিম আৰু পশ্চিমলৈ। পূবৰ ফালে ইয়াৰ উচ্চতা ১২০ মিটাৰ। পশ্চিমলৈ ইয়াৰ ঢাল অতি মৃদু, গড়ে প্ৰতি কিলোমিটাৰত মাত্ৰ ১৩ ছেণ্টিমিটাৰ। সেয়েহে, এই উপত্যকা অঞ্চলত ব্ৰহ্মপুত্ৰৰ গতি অতি মন্থৰ, আঁকোৰা-পঁকোৰা, গুম্ফিত (braided) আৰু ইয়াত অনেক বালিচৰ আৰু নদী-দ্বীপও আছে। ব্ৰহ্মপুত্ৰৰ নদী-দ্বীপ মাজুলী পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপসমূহৰ মাজৰে এটা।

ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰ আৰু দক্ষিণপাৰৰ মাজত থকা ভূ-প্ৰাকৃতিক বৈষম্যসমূহ মন কৰিবলগীয়া। ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰটো হ'ল বহল আৰু উত্তৰে হিমালয় পাদভূমি অতি থিয় ঢালেৰে (প্ৰায় ৫০০ মিটাৰ উচ্চতাৰ পৰা ২০০ মিটাৰলৈ) নামি আহিছে। আনহাতে দক্ষিণপাৰ উত্তৰপাৰতকৈ ঠেক আৰু ইয়াৰ দক্ষিণ দিশৰ পৰিসীমাও তুলনামূলকভাৱে ভঙা-ছিঙা। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত হিমালয়ৰ পাদদেশত ভাৱৰ অঞ্চল অৱস্থিত। এই অঞ্চলটো ঠেক। হিমালয়ৰ পৰা বৈ অহা ব্ৰহ্মপুত্ৰৰ অসংখ্য উপনদীয়ে হঠাতে পৰ্বতৰ পৰা এক ঢাল নথকা সমতলভূমিত প্ৰৱেশ কৰাৰ সময়ত শক্তিহীন হৈ লগত লৈ অহা শিল-বালি আদি জমা কৰি এই অঞ্চলটোৰ সৃষ্টি কৰিছে। অঞ্চলটো সছিদ্ৰ (porous) হোৱাৰ বাবে ইয়াত নদীবোৰ সাধাৰণতে ভূগৰ্ভস্থ সোঁত (underground flow)ৰূপে বৈ যায়।

এই ভূগৰ্ভস্থ পানীবোৰ দক্ষিণলৈ কিছুদূৰ যোৱাৰ পিচত পুনৰ ভূপৃষ্ঠৰ যি অঞ্চলত ওপৰলৈ ওলাই আহে সেই অঞ্চলক তৰাই বোলা হয়। এই অঞ্চল সেমেকা, ডাঠ হাবি-বননিৰে পূৰ্ণ আৰু বনৰীয়া জীৱ-জন্তুৰ বাসস্থান। তৰাই অঞ্চলৰ দক্ষিণে সমান্তৰালভাৱে পুৰণি পলসেৰে গঠিত তুলনামূলকভাৱে যি ওখ অঞ্চল আছে তাক বসবাসৰ উপযোগী উচ্চ অঞ্চল (built-up zone) বুলি কোৱা হয়। ইয়াত জনবসতি ঘন আৰু উত্তৰ পাৰৰ বেছিভাগ নগৰেই এই অঞ্চলত অৱস্থিত। ইয়াৰে দক্ষিণতে ব্ৰহ্মপুত্ৰৰ প্লাৱনভূমি য'ত বহুতো বিল আৰু জলাহভূমি দেখিবলৈ পোৱা যায়। ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত অৰুণাচল, নাগালেণ্ড, কাৰ্বি মালভূমি আদিৰ পাহাৰসমূহৰ কাষে কাষে কিছুমান বেদিকা (terrace) দেখিবলৈ পোৱা যায়। এইসমূহ চাহ বাগিচাৰ বাবে বৰ উপযোগী। কিন্তু নামনি অসমৰ নগাঁও, মৰিগাঁও, কামৰূপ, গোৱালপাৰা জিলাৰ গিৰিপদ অঞ্চলত অৱশ্যে বিল, জলাহভূমিহে দেখা যায়। উত্তৰপাৰৰ নিচিনাকৈ দক্ষিণ পাৰতো প্লাৱনভূমিৰ দক্ষিণফালে পুৰণা পলসেৰে গঠিত বসবাসৰ উপযোগী উচ্চ অঞ্চল (built up zone) দেখা যায় যদিও ই একেধাৰে নাই।




*চিত্ৰ ১৬.১ ঃ অসমৰ ভূ-প্ৰাকৃতিক বিভাগ*

**(খ) বৰাক উপত্যকা ঃ** অসমৰ দ্বিতীয় প্ৰধান নদী উপত্যকাটো হ'ল ৰাজ্যৰ একেবাৰে দক্ষিণ দিশত থকা বৰাক উপত্যকা। ই প্ৰকৃততে সুৰমা-কুশিয়াৰা-বৰাক উপত্যকাৰ (যিখনৰ অধিকাংশই বাংলাদেশত আছে) শীৰ্ষাংশ। এই উপত্যকা তিনিওফালে পাহাৰেৰে আবৃত, মাত্ৰ পশ্চিমলৈহে মুকলি। এই উপত্যকা উত্তৰ-দক্ষিণাকৈ গড়ে ৭০ কিলোমিটাৰ বহল, পূবা-পশ্চিমকৈ ৮৫ কিলোমিটাৰ দীঘল আৰু ইয়াৰ আয়তন হ'ল ৬৯৬২ বৰ্গ কিলোমিটাৰ। ই বৰাক আৰু ইয়াৰ উপনৈসমূহৰ খনন আৰু অৱক্ষেপণৰ দ্বাৰা গঠিত। বৰাক নদী মণিপুৰৰ পৰা ওলাই কাছাৰ আৰু কৰিমগঞ্জ জিলাৰ মাজেদি বৈ গৈছে। বদৰপুৰৰ উত্তৰ-পশ্চিমত এই নদী দুটা শাখাত বিভক্ত হৈ এটা শাখা সুৰমা নদীত লগ লাগিছে আৰু আনটো কুছিয়াৰা নামেৰে বাংলাদেশৰ মাজেদি বৈ গৈছে। বৰাক উপত্যকাৰ ঢাল পূবৰ পৰা পশ্চিমলৈ। এই ঢাল অতি মৃদু হোৱাৰ উপৰি নদীখনৰ গতিপথ আঁকোৰা-পকোৰা হোৱাত ইয়াত বহুতো অশ্বখুৰা হ্ৰদ আছে। এই উপত্যকাৰ পৰিসীমাত বহুতো সৰু সৰু পাহাৰ আৰু টিলা আছে। এইবিলাকৰ ঢালসমূহত বহুতো চাহ বাগান আছে।

- **নদ-নদী ঃ**

অসমৰ নদীসমূহৰ ভিতৰত ব্ৰহ্মপুত্ৰই হ'ল প্ৰধান। এই নদী তিব্বতৰ (চীন) মানস সৰোবৰৰ দক্ষিণ-পূবত অৱস্থিত চেমায়ুংদুং হিমবাহৰ পৰা টামছাক-খামবাব নামেৰে উৎপত্তি হৈ তিব্বত মালভূমিৰ মাজেদি ১৭০০ কিলোমিটাৰ পূবলৈ বৈ গৈছে। ব্ৰহ্মপুত্ৰৰ এই অংশক তিব্বতত চাংপো নামেৰে জনা যায়। ইয়াৰ পাছত নদীখনে ছুলিৰ কাটাৰ দৰে ভাঁজ লৈ (hairpin bend) ইয়ংগেপ গিৰিখাটৰ মাজেদি দক্ষিণ আৰু দক্ষিণ-পশ্চিম দিশলৈ গতি কৰি অৰুণাচলত সোমাওতে এই নদী চিয়াং নামেৰে জনাজাত হয়। দক্ষিণলৈ এই নদীক দিহং বুলি জনা যায়। হিমালয়ৰ গিৰিপদ অঞ্চলত পাছিঘাট পাৰ হৈ এই নদীয়ে ভৈয়ামত প্ৰৱেশ কৰে আৰু উত্তৰ-পূবৰ পৰা অহা দিবং নদী আৰু পূবৰ পৰা অহা লোহিতৰ লগ লাগে। ইয়াৰ পৰা এই মিলিত জলধাৰাই ব্ৰহ্মপুত্ৰ নামেৰে পশ্চিমলৈ গতি কৰি অসম উপত্যকাৰ মাজেৰে বৈ গৈ গাৰোপাহাৰ অতিক্ৰম কৰি বাংলাদেশ আৰু অসমৰ সীমাইদি দক্ষিণমুৱা হৈ যমুনা নাম লৈ বাংলাদেশত প্ৰৱেশ কৰে। তাৰ পিচত গোৱালাণ্ডোৰ ওচৰত গংগা নদীৰ লগ লাগি মেঘনা নাম লৈ বংগোপসাগৰত পৰে।

ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ আৰু দক্ষিণ দিশৰ পৰা বৈ অহা প্ৰায় ১০০ খন উপনদী আছে। তাৰে উত্তৰপাৰৰ ১৫ খন আৰু দক্ষিণপাৰৰ ১০ খন তুলনামূলকভাৱে ডাঙৰ। ব্ৰহ্মপুত্ৰৰ উপনদীসমূহৰ ভিতৰত লোহিত, দিবং, সোৱণশিৰি, ৰঙানদী, দিক্ৰং, বুৰৈ, জীয়াধল, বৰগাং, জীয়াভৰলী, পুথিমাৰী, পাচনৈ, পাগলাদিয়া, বহুমৰা, বেঁকী, মানস, চম্পামতী, সৰলভাংগা, গদাধৰ, গংগাধৰ, সোণকোষ, নদিহিং, ডিব্ৰু, বুঢ়ীদিহিং, দিচাং, দিখৌ, জাঁজী, টীয়ক, ধনশিৰি, কলং, কপিলী, ডিগাৰু, কুলশী, দুধনৈ, কৃষ্ণাই, জিঞ্জিৰাম লেখত ল'বলগীয়া।

ব্ৰহ্মপুত্ৰৰ পাছতে অসমৰ আনখন প্ৰধান নদী বৰাকৰ উৎস হ'ল মণিপুৰৰ পাৰ্বত্য অঞ্চল। বৰাকৰ উপনদীসমূহৰ ভিতৰত ধলেশ্বৰী, লংগাই, শিংৰা, সোণাই, চিৰি, মাধুৰা আৰু জাতিংগা প্ৰধান।

**জলবায়ু ঃ**

অসমৰ দক্ষিণ দিশত অৱস্থিত মিজোৰাম ৰাজ্যৰ মাজেদি কৰ্কটক্ৰান্তি ৰেখাডাল গৈছে। সেয়েহে অসম উপক্ৰান্তীয় অঞ্চলৰ অন্তৰ্গত আৰু ইয়াৰ জলবায়ু গৰম আৰু সেমেকা। অৱশ্যে গৰমকালি দক্ষিণ-পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱত প্ৰচুৰ বৰষুণ হোৱাৰ বাবে ইয়াত ভাৰতৰ অন্যান্য বহুতো অঞ্চলতকৈ গৰম কম, পিচে আৰ্দ্ৰতা বেছি।

অসমৰ জলবায়ু প্ৰধানকৈ তলত দিয়া কাৰকসমূহৰ দ্বাৰা প্ৰভাৱান্বিত হয়।

১। অসমৰ উত্তৰত ভূটান-অৰুণাচল হিমালয়, পূব আৰু দক্ষিণ-পূবত পাটকাই-নগা পাহাৰ, মণিপুৰ আৰু মিজোৰামৰ পাহাৰ আৰু দক্ষিণে মেঘালয় পাহাৰৰ অৱস্থিতি।

২। উত্তৰ-পশ্চিম ভাৰত আৰু বংগোপসাগৰীয় অঞ্চলত সৃষ্টি হোৱা বিকল্প (alternative) উচ্চচাপ আৰু নিম্নচাপ বলয়ৰ সৃষ্টি।

৩। স্থানীয় পাৰ্বত্য আৰু উপত্যকা বতাহ, ঘূৰ্ণী বতাহ আৰু প্ৰতীপ ঘূৰ্ণী বতাহৰ প্ৰভাৱ।

৪। ভাৰতবৰ্ষৰ ওপৰেদি প্ৰবাহিত হোৱা দক্ষিণ-পূব আৰু উত্তৰ-পূব মৌচুমী বায়ু।

গ্ৰীষ্মকালত মধ্য এছিয়া তথা ভাৰতৰ আন অঞ্চলৰ লগতে অসমো নিম্নচাপ বলয়ৰ প্ৰভাৱত পৰে। সেয়েহে বংগোপসাগৰৰ উচ্চচাপ বলয়ৰ পৰা ইয়ালৈ জলীয় বাষ্পপূৰ্ণ মৌচুমী বতাহ ব'বলৈ ধৰে। এই মৌচুমী বতাহৰ এটা শাখাই মেঘালয় মালভূমিত ঠেকা খায় আৰু আনটো শাখাই অসমৰ পূবফালে ব্ৰহ্মদেশৰ আৰাকান পৰ্বতত খুন্দা খাই আকৌ অসমৰ ফালে গতি কৰে। এই দুই শাখাৰ প্ৰভাৱৰ ফলত অসমত যথেষ্ট বৃষ্টিপাত হয়।

সাময়িক জলবায়ুৰ তাৰতম্য অনুসৰি অসমৰ বছৰটোৰ জলবায়ৱিক অৱস্থাক চাৰিটা ভাগত ভাগ কৰিব পাৰি।

(ক) শীতকাল

(খ) প্ৰাক-মৌচুমী বা গ্ৰীষ্মকাল

(গ) দক্ষিণ-পশ্চিম মৌচুমী কাল

(ঘ) নিবৰ্তিত মৌচুমী বা মৌচুমী উত্তৰকাল।

**(ক) শীতকাল ঃ** ডিচেম্বৰৰ আৰম্ভণিৰ পৰা ফেব্ৰুৱাৰীৰ শেষলৈকে ব্যাপ্ত হৈ থকা এই কালছোৱাত ৰাজ্যখনত বতৰ যথেষ্ট ঠাণ্ডা থাকে। অৱশ্যে ব্ৰহ্মপুত্ৰ উপত্যকাৰ উজনি অঞ্চলত নামনি অঞ্চলতকৈ ঠাণ্ডাৰ মাত্ৰা বেছি। এই সময়ত ৰাজ্যৰ গড় উষ্ণতা সাধাৰণতে ১৩° চেলছিয়াছৰ তলত থাকে। এই কালছোৱাত ৰাজ্যত বৰষুণৰ মাত্ৰা কম; কিন্তু ৰাতি আৰু পুৱাৰ ভাগ সাধাৰণতে ডাঠ কুঁৱলীয়ে আবৰি ৰাখে।

**(খ) প্ৰাক্-মৌচুমী কাল ঃ** মাৰ্চ মাহৰ আৰম্ভণিৰ লগে লগে শীতকালৰ অন্ত পৰি প্ৰাক্-মৌচুমীকাল আৰম্ভ হয়। এই সময়ত সূৰ্য কৰ্কটক্ৰান্তিৰ ফালে আগবাঢ়ে। সেয়েহে অসমকে ধৰি উপক্ৰান্তীয় বা কৰ্কটক্ৰান্তীয় অঞ্চলত উত্তাপ বৃদ্ধি হয় আৰু নিম্নচাপৰ সৃষ্টি হয়। এই সময়ত সাগৰৰ দিশৰ পৰা অহা জলীয় বাষ্পযুক্ত বায়ু আৰু পশ্চিমা বায়ুৰ সংঘৰ্ষত আকাশত অস্থিৰ অৱস্থাৰ সৃষ্টি হৈ ধুমুহা-বৰষুণ, বজ্ৰপাত হয়। এই সময়ত হোৱা ধুমুহা বতাহক 'বৰদৈচিলা' বোলা হয়।

**(গ) মৌচুমী কাল ঃ** জুন, জুলাই, আগষ্ট, ছেপ্টেম্বৰ— এই চাৰি মাহ অসমত সম্পূৰ্ণৰূপে মৌচুমী কাল। এই কালছোৱাত উত্তাপো বেছি হয় আৰু গোটেই কেইমাহৰ ভিতৰত আগষ্ট হ'ল আটাইতকৈ গৰম মাহ। এই সময়ত মৌচুমী বায়ুৰ প্ৰভাৱৰ বাবে বৰষুণো (১০০ চেঃমিঃ-২০০ চেঃমিঃ) যথেষ্ট হয় আৰু আৰ্দ্ৰতাও খুব বেছি। এই কালছোৱাৰ বেছিভাগ সময়েই আকাশ ডাৱৰে ঢাকি থাকে। বৰষুণ বেছি হোৱাৰ বাবে এই সময়ত ৰাজ্যত বানপানীৰ প্ৰকোপো বেছি।

**(ঘ) উত্তৰ-মৌচুমী কাল ঃ** অক্টোবৰ আৰু নৱেম্বৰ— এই দুটা মাহ উত্তৰ মৌচুমীকালৰ অন্তৰ্গত। এই সময়ত প্ৰাক মৌচুমীকালত অৱস্থান লোৱা নিম্নচাপ বলয় নোহোৱা হয় আৰু তাৰ সলনি সেই ঠাই এক উচ্চচাপ বলয়ে পূৰ্ণ কৰে। গতিকে দক্ষিণ-পশ্চিম মৌচুমী বায়ুৰ প্ৰভাৱ কমি যোৱাত বৰষুণো লাহে লাহে কমিবলৈ ধৰে। এই সময়ত বতৰ ফৰকাল হৈ থাকে আৰু জাৰ-জহৰ কোনোটোৰে তীব্ৰতা নথকাৰ বাবে গোটেই বছৰটোৰ ভিতৰত এইখিনিয়েই হ'ল আটাইতকৈ ভাল বতৰৰ সময়।

**মাটি ঃ**

গুণ, উৎপত্তি আদি বিভিন্ন বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি অসমৰ মাটিক প্ৰধানকৈ চাৰিভাগত ভগাব পাৰি—

১। পুৰণি পলসুৱা মাটি

২। নতুন পলসুৱা মাটি

৩। লেটাৰাইট বা কংকৰ

৪। পাহাৰীয়া মাটি বা ৰঙা বালিচহীয়া মাটি

www.dailyassam

**১। পুৰণি পলসুৱা মাটি ঃ** নদীৰ উপত্যকা অঞ্চলত বানপানীয়ে ঢুকি নোপোৱা ওখ ঠাইবোৰ এই মাটিৰে গঠিত। পুৰণি হোৱাৰ বাবে এই মাটি বৰষুণৰ পানীৰে অধিক মাত্ৰাত ধৌত। সেয়েহে ইয়াৰ ৰাসায়নিক পদাৰ্থবোৰ পানীয়ে ধুই নিয়াৰ বাবে আৰু বৰষুণৰ পানীৰ লগত নিগৰি তললৈ সোমাই যোৱাৰ কাৰণে এই মাটি অপেক্ষাকৃতভাৱে অনুৰ্বৰ আৰু অম্লতাৰ পৰিমাণ বেছি। এই মাটি চাহ খেতিৰ বাবে বৰ উপযোগী।

**(২) নতুন পলসুৱা মাটি ঃ** ব্ৰহ্মপুত্ৰ, বৰাক আৰু সিহঁতৰ উপনদীসমূহৰ একেবাৰে দাঁতি-কাষৰীয়া অঞ্চলবোৰ নতুন পলসুৱা মাটিৰে গঠিত। এই নদীসমূহে প্ৰত্যেক বছৰেই বানপানীৰ সময়ত কঢ়িয়াই অনা পলসেৰে এই মাটিবোৰ গঠিত বাবে বৰ উৰ্বৰ। এই মাটি বোকা, বালি আৰু জৈৱিক পদাৰ্থৰ সংমিশ্ৰণ আৰু অম্লতাৰ পৰিমাণ কম। সেয়েহে ই কৃষিৰ বৰ উপযোগী আৰু ইয়াৰ ধান, মাহজাতীয় শস্য, সৰিয়হ মৰাপাট, আলু আৰু পাচলিৰ খেতি বৰ ভালকৈ হয়।

**(৩) লেটাৰাইট মাটি ঃ** এইবিধ মাটি প্ৰধানকৈ কাৰ্বি আংলং জিলা, উত্তৰ কাছাৰ জিলা আৰু বৰাক উপত্যকাৰ দাঁতিকাষৰীয়া গিৰিপদ অঞ্চলত পোৱা যায়। ই ইটাৰঙীয়া। এইবিধ মাটি মালভূমি বা পাহাৰ-পৰ্বতৰ সীমামূৰীয়া অঞ্চলত বৰষুণ বেছি হোৱাৰ ফলত নিঃক্ষালিত হৈ সৃষ্টি হয়। সেয়েহে এই মাটি অনুৰ্বৰ। ইয়াত জৈৱ পদাৰ্থও কম থাকে।

**(৪) ৰঙা মাটি ঃ** এই মাটি ডিমা হাচাও জিলা, কাৰ্বি আংলং জিলাৰ কিছুমান ঠাই আৰু মেঘালয় মালভূমিৰ নামনি অঞ্চলত অৰ্থাৎ দক্ষিণ কামৰূপ, গোৱালপাৰা আৰু ধুবুৰীৰ কিছু অংশ আৰু বৰাক উপত্যকাৰ পাহাৰৰ দাঁতিকাষৰীয়া কিছুমান ঠাইত পোৱা যায়। এইবিধ মাটি বালিচঁহীয়া কাৰণে পানী বৰকৈ সঞ্চয় কৰিব নোৱাৰে। লোৰ পৰিমাণ বেছি হোৱাৰ কাৰণে এই মাটিৰ ৰং ৰঙা হয় আৰু ইয়াত অম্লতাৰ পৰিমাণ অধিক। সুমথিৰা, মাটি-কঁঠালকে ধৰি বিবিধ ফল-মূল আৰু বিভিন্নধৰণৰ পাচলিৰ খেতি এইবিধ মাটিত ভাল হয়।

**প্ৰাকৃতিক উদ্ভিদ ঃ** কোনো এখন ঠাইৰ প্ৰাকৃতিক উদ্ভিদৰ প্ৰকৃতি আৰু বিতৰণ প্ৰধানকৈ সেই অঞ্চলৰ জলবায়ু আৰু মাটিৰ গুণাগুণৰ ওপৰতে নিৰ্ভৰ কৰে যদিও অসমৰ উদ্ভিদৰ প্ৰকৃতি আৰু বিতৰণৰ ক্ষেত্ৰত জলবায়ুৰ প্ৰভাৱ অধিক হোৱাটো পৰিলক্ষিত হয়। অসমৰ প্ৰাকৃতিক উদ্ভিদক তলত দিয়া শ্ৰেণীত ভাগ কৰিব পাৰি।

১। ক্ৰান্তীয় চিৰসেউজীয়া উদ্ভিদ

২। মৌচুমীয় পৰ্ণপাতী উদ্ভিদ

www.dailyassam

৩। নদী কাষৰীয়া উদ্ভিদ

৪। তৃণভূমি

**১। ক্ৰান্তীয় চিৰসেউজীয়া উদ্ভিদ ঃ** ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰ প্ৰান্তত অৰ্থাৎ হিমালয়ৰ নামনি অঞ্চলত আৰু উজনি অসমৰ শিৱসাগৰ, ডিব্ৰুগড়, গোলাঘাট, কাছাৰ জিলাৰ উত্তৰাংশ আদি ঠাইসমূহত সাধাৰণতে দুইধৰণৰ অৰণ্য দেখিবলৈ পোৱা যায়। এই ঠাইসমূহত বৰষুণ ২০০ চেণ্টিমিটাৰতকৈ বেছি আৰু তাপমাত্ৰা ২৫° চেণ্টিগ্ৰেডতকৈ বেছি হয়। চিৰ সেউজীয়া অৰণ্যৰ বিশেষত্ব এয়ে যে ওখ আৰু জোপোহা গছ-গছনিৰ উপৰি ইয়াৰ তলভাগো লতাজাতীয় উদ্ভিদেৰে ঠাহ খাই থাকে। ইয়াৰ মাটিৰ ওপৰ স্তৰত সদায় পানী থাকে বাবে সেমেকা আৰু জীপাল হৈ থাকে। সেয়েহে এই অঞ্চলৰ গছ-লতাবোৰ সেউজীয়া পাতেৰে ভৰপূৰ হৈ থাকে। এইধৰণৰ অৰণ্যত হলং, হলক, মকাই, নাহৰ, উৰিয়াম, চপা, তিতাচঁপা আদি গছ পোৱা যায়।

**২। মৌচুমীয় পৰ্ণপাতী উদ্ভিদ ঃ** বছৰি ১০০-২০০ চেণ্টিমিটাৰ বৰষুণ হোৱা অঞ্চলত এই অৰণ্য পোৱা যায়। বৰষুণ অপেক্ষাকৃতভাৱে কম হোৱাৰ বাবে শীতকালত এই অঞ্চলসমূহৰ মাটিৰ ওপৰৰ স্তৰ শুকাই যায় আৰু সেয়েহে গছবোৰৰ পাত সৰি যায়। অসমৰ বিভিন্ন অঞ্চলৰ বৰষুণৰ পৰিমাণৰ তাৰতম্য অনুযায়ী ভিন্ ভিন্ ঠাইত ভিন্ ভিন্ পৰ্ণপাতী উদ্ভিদৰ প্ৰাধান্য দেখা যায়। উজনি অসমৰফালে বৰষুণ বেছি হোৱাৰ বাবে ওখ ওখ পৰ্ণপাতী গছৰ বিপৰীতে নামনি অসমত উজনিতকৈ কিছু কম বৰষুণ হোৱাৰ বাবে পৰ্ণপাতী গছবোৰো তুলনামূলকভাৱে চাপৰ। সেইদৰে লামডিং, লংকাৰ দৰে বৃষ্টিছায়া অঞ্চলসমূহত পৰ্ণপাতী গছসমূহ আৰু বেছি চাপৰ হোৱা দেখা যায়। এই গছসমূহৰ ভিতৰত শাল, চেগুন, গমাৰি, ছাম, শিমলু, কদম, আম, কঁঠাল লেখতল'বলগীয়া।

**৩। নদী কাষৰীয়া উদ্ভিদ ঃ** এই শ্ৰেণীৰ উদ্ভিদৰ ভিতৰত খৈৰ, শিশু, শিমলু, কৰৈ, কদম, খকন আদি প্ৰধান। অসমৰ প্ৰধান নদী দুখন— ব্ৰহ্মপুত্ৰ আৰু বৰাক আৰু সিহঁতৰ উপনদীবোৰৰ দাঁতিকাষৰীয়া সেমেকা অঞ্চলত এই গছসমূহ গজে।

**৪। তৃণভূমি ঃ** ব্ৰহ্মপুত্ৰ উপত্যকাৰ উত্তৰৰ তৰাই অঞ্চলত নল-খাগৰি, খেৰ, বেত আদিকে ধৰি বিভিন্ন ওখ ওখ তৃণভূমি দেখা যায়। ইয়াৰ উপৰি নদী কাষৰীয়া দ অঞ্চল আৰু চৰ-চাপৰিতো ঘাঁহনি গজে। ঝুম খেতি কৰা পাহাৰীয়া অঞ্চলত য'ত আগতে হাবি আছিল, সেই ঠাইসমূহতো মাটিৰ গুণাগুণ নষ্ট হোৱাৰ ফলত পিচত তৃণজাতীয় উদ্ভিদহে গজে।

**উদ্ভিদ আৰু পশু সম্পদ ঃ** অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ উদ্ভিদ তথা জীৱৰ বিভিন্নতা (biodiversity) অতি উচ্চ পৰ্য্যায়ৰ। অনুকূল জলবায়ু, ভৌগোলিক অৱস্থান আদি বিভিন্ন কাৰকৰ সুপ্ৰভাৱৰ বাবে অসমত জীৱ-জন্তু আৰু উদ্ভিদৰ বিভিন্নতা দেখিবলৈ পোৱা যায়। অসম তথা উত্তৰ-পূবত এতিয়ালৈকে ৬০০০-৭০০০ উদ্ভিদৰ প্ৰজাতি আছে। সেইদৰে অৰ্কিডৰ প্ৰজাতিও প্ৰায় এশ। অসমত থকা অসংখ্য বন-বননি আৰু প্ৰায় ৪,০০০ আৰ্দ্ৰভূমি হ'ল অসংখ্য জীৱ-জন্তু আৰু চৰাই-চিৰিকতিৰ বিচৰণভূমি। ভাৰতত পোৱা ১,২০০ বিধ চৰাইৰ প্ৰায় ৯৫০ বিধেই অসমত আছে। সেইদৰে অসমত প্ৰায় ২৩০ বিধ স্তনপ্ৰায়ী জন্তু আছে। তাৰে ভিতৰত গঁড়, নলগাহৰি, হলক গিবন, সোণালী বান্দৰ আদি অতি বিৰল প্ৰজাতিৰ।

অসমত কেইবাখনো ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্য আছে। ইয়াৰে ভিতৰত গোলাঘাট, নগাঁও আৰু শোণিতপুৰ জিলাত অৱস্থিত প্ৰায় ৮৩০ বৰ্গ কিলোমিটাৰজোৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান এশিঙীয়া গঁড়ৰ বাবে পৃথিৱী বিখ্যাত। ইয়াৰ বাহিৰেও অসমত আৰু চাৰিখন ৰাষ্ট্ৰীয় উদ্যান আছে। সেইকেইখন হ'ল মানাহ ৰাষ্ট্ৰীয় উদ্যান (বৰপেটা আৰু কোকৰাঝাৰ জিলা), ৰাজীৱ গান্ধী ৰাষ্ট্ৰীয় উদ্যান, ওৰাং (দৰং আৰু শোণিতপুৰ জিলা), নামেৰী ৰাষ্ট্ৰীয় উদ্যান (শোণিতপুৰ), ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান (তিনিচুকীয়া জিলা)। অসমত অভয়াৰণ্যও বহুকেইখন আছে। তাৰে ভিতৰত পবিতৰা, লাওখোৱা, বৰনদী, সোণাই-ৰূপাই, চক্ৰশীলা, বুঢ়াচাপৰি, গৰমপানী, গিবন অভয়াৰণ্য উল্লেখযোগ্য। দীপৰ বিল, বৰদৈবাম বিলমুখ আৰু পানীদিহিং— এইকেইখন হ'ল পক্ষী অভয়াৰণ্য। অসমত দুটা ব্যাঘ্ৰ প্ৰকল্পও (Tiger Project) আছে। এই দুটা হ'ল মানাহ আৰু নামেৰী ব্যাঘ্ৰ প্ৰকল্প।

www.dailyassam

**খনিজ সম্পদ ঃ**

অসম খনিজ সম্পদত বৰ বেছি চহকী নহয়। ইয়াত কয়লা, খাৰুৱা তেল, প্ৰাকৃতিক গেচ, চূণশিল, চিলিমেনাইট, এছবেচটছ, ক'ৰাণ্ডাম আদি কেইবিধমান বিশেষ বিশেষ খনিজ সম্পদহে পোৱা যায়। ইয়াৰে ভিতৰত বাণিজ্যিক দিশৰ পৰা চালে অসমৰ খাৰুৱা তেল আৰু প্ৰাকৃতিক গেচেই হ'ল আটাইতকৈ মূল্যৱান খনিজ সম্পদ।

**খাৰুৱা তেল আৰু প্ৰাকৃতিক গেচ ঃ** অসমত ইংৰাজসকলেই পোন প্ৰথমে ১৮৮৯ চনত উজনি অসমৰ ডিগবৈত খাৰুৱা তেলৰ আৱিষ্কাৰ কৰে। প্ৰায় ১৯৫৮ চনলৈকে এইটোৱেই ভাৰতৰ একমাত্ৰ খাৰুৱা তেল উৎপাদনকাৰী অঞ্চল আছিল। বৰ্তমান অৱশ্যে এই অঞ্চলটোত তেল প্ৰায় শেষ হৈ আহিছে। ইয়াৰ দাঁতিকাষৰীয়া নাহৰকটীয়া, হুগ্ৰীজান, মৰাণ, ৰুদ্ৰসাগৰ, গেলেকী বৰহলা, লাকুৱা, দিহিং উপত্যকা আদি ঠাইসমূহত থকা তেলৰ পুংবিলাকৰ পৰা তেল উৎপাদন কৰা হয়। এই খাৰুৱা তেলৰ পুংবিলাকৰ পৰা প্ৰাকৃতিক গেচো পোৱা যায়। এই গেচৰ পৰা ৰন্ধন গেচ উৎপাদন কৰাৰ উপৰি বিদ্যুৎ শক্তি উৎপন্ন আৰু ৰাসায়নিক সাৰ তৈয়াৰ কৰিব পাৰি। ২০০৫-০৬ বৰ্ষত অসমত ৪৪২৯ হাজাৰ মেট্ৰিক্ টন খাৰুৱা তেল আৰু ২১৯৫ নিযুত কিউবিক মিটাৰ প্ৰাকৃতিক গেছ উৎপাদন হয়।

**কয়লা ঃ** খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ পিচতে কয়লা অসমৰ আন এক প্ৰধান খনিজ সম্পদ। ভাৰতত সাধাৰণতে পোৱা গণ্ডোৱানা যুগৰ কয়লা (যিবিলাক পুৰণি, টান আৰু উৎকৃষ্ট) আৰু টাৰচিয়াৰী বা নৱজীৱী কল্পৰ কয়লা (তুলনামূলকভাৱে নতুন, ঠুনুকা আৰু হিমালয়ৰ দৰে ভংগিল পৰ্বতাঞ্চলত থাকে) এই দুবিধৰ ভিতৰত পিছৰবিধ কয়লাহে প্ৰধানকৈ অসমত পোৱা যায়। এই কয়লাৰ খনিসমূহ সেয়েহে উজনি অসমৰ পাহাৰৰ নামনিৰ মাকুম, লিডু, মাৰ্ঘেৰিটা, জয়পুৰ, নাফুক, নাগিনীমৰা আদিত পোৱা যায়। প্ৰথমবিধ অৰ্থাৎ গণ্ডোৱানা কয়লা কাৰ্বি পাহাৰৰ কয়লাজান, শিলভেটা, লংলৈ, শিঙিমাৰী আদিত কিছু পৰিমাণে পোৱা যায়। অসমৰ কয়লাৰ ভাণ্ডাৰৰ (reserves) পৰিমাণ প্ৰায় ২৯২.৩৯ নিযুত টন বুলি ঠাৱৰ কৰা হৈছে। ২০০৫-০৬ত অসমত ৯৪৬০০০ মেট্ৰিকটন কয়লা উৎপাদন হৈছিল।

**চূণশিল ঃ** অসমৰ ডিমা হাচাও আৰু কাৰ্বি আংলং জিলাত প্ৰধানকৈ চূণশিল পায়। মেঘালয়ৰ গাৰো পাহাৰৰ পৰা অসমৰ কাৰ্বি পাহাৰলৈকে প্ৰায় একেলেঠাৰীয়ে বিস্তৃত হৈ থকা এটা মণ্ডলতে এই চূণশিল সঞ্চিত হৈ আছে। ডিমা হাচাও জিলাৰ উমৰাংচু অঞ্চলত প্ৰায় ৮০ মিটাৰ ডাঠ চূণশিলৰ স্তৰ এটা আছে। কাৰ্বি আংলং জিলাৰ কয়লাজান আৰু দিলাই পাহাৰত চূণশিল পায়। ২০০৫-০৬ বৰ্ষত অসমত ৪,২০,০০০ মেট্ৰিক টন চূণশিলৰ উৎপাদন হৈছিল।

**ছিলিমেনাইট ঃ** অসমৰ কাৰ্বি আংলং জিলাৰ ছিপিলাংছ', ইংতিগাঁও, চামেলাংছ' ছৈলাংছ' আমটেৰাং আদি ঠাইত উৎকৃষ্টবিধৰ ছিলিমেনাইট পোৱা যায়।

অন্যান্য খনিজ দ্ৰব্যৰ ভিতৰত গোৱালপাৰাৰ চন্দ্ৰভাগা পাহাৰ, লালগাপাৰা আৰু মালাইগড়ত আৰু কামৰূপ জিলাৰ হাহিমত লো-আকৰ নিহিত শিলাস্তৰ আছে। কাৰ্বি আংলং জিলাৰ দেওপানী, শিলভেটা, শিলনীজানত চীনামাটি (clay) পোৱা যায়। আগতে আহোমৰ ৰাজত্বৰ দিনত সোৱণশিৰি, দিচাং আদি নদীৰ বালিত নিহিত হৈ থকা সোণৰ কণিকা উদ্ধাৰ কৰা হৈছিল যদিও আজিকালি অৰ্থনৈতিক দিশৰ পৰা এইবিলাক উদ্ঘাটনযোগ্য নহয় বুলি ভবা হৈছে।

**জনসংখ্যা ঃ**

মুঠ জনসংখ্যাৰ দিশৰ পৰা চাবলৈ হ'লে ভাৰতৰ ৰাজ্যসমূহৰ ভিতৰত অসমৰ স্থান ১৪তম। ২০০১ চনৰ লোকপিয়ল অনুযায়ী অসমৰ জনসংখ্যা ২৬,৬৫৫,৫২৪। (২০১১ চনৰ লোকপিয়লত এই সংখ্যা........)। অসমে ভাৰতবৰ্ষৰ মুঠ মাটিকালিৰ ২.৩৯ শতাংশ আৱৰি থকাৰ বিপৰীতে ৰাজ্যখনৰ জনসংখ্যা হ'ল দেশৰ ২.৫৯ শতাংশ। উত্তৰ-পূব ভাৰতৰ গোটেইকেইখন ৰাজ্যৰ ভিতৰত অসমৰ জনসংখ্যাই আটাইতকৈ বেছি। ইয়াতেই গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ তিনি-চতুৰ্থাংশ মানুহে বসবাস কৰে। অৱশ্যে ৰাজ্যৰ সকলো অঞ্চলতে জনসংখ্যাৰ বিতৰণ সমান নহয়। অসমৰ বেছিখিনি লোকেই ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ জিলাকেইখনত বসবাস কৰে। ৰাজ্যৰ গোটেইকেইখন জিলাৰ ভিতৰত সৰ্বাধিক জনবসতিৰ জিলা হ'ল কামৰূপ মহানগৰ। আনহাতে ডিমা হাচাও জিলাৰ জনসংখ্যা আটাইতকৈ কম। অসমৰ পাহাৰীয়া অঞ্চলত জনবসতি কম হোৱাৰ প্ৰধান কাৰণসমূহ হ'ল অনুন্নত যাতায়াত, ওখোৰা-মোখোৰা বন্ধুৰতা, থিয় ঢাল, দ খাত আৰু তুলনামূলকভাৱে কম উৰ্বৰতাৰ মাটি (যাৰ ফলত উপত্যকা অঞ্চলতকৈ ইয়াত খেতি-বাতি কৰাত অসুবিধাৰ সন্মুখীন হোৱা যায়)। এইখিনিতে উল্লেখ কৰিব পাৰি যে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাই ৰাজ্যৰ মুঠ মাটিকালিৰ শতকৰা ৭২ ভাগ আৰু ৯ ভাগ আৱৰি থকা বিপৰীতে এই উপত্যকা দুখনত ক্ৰমান্বয়ে ৰাজ্যৰ মুঠ জনসংখ্যাৰ শতকৰা ৮৫ ভাগ আৰু ১১.১০ ভাগ লোকে বসবাস কৰে।

ভাৰতৰ দৰে অসমৰ জনসংখ্যাও অতীজৰে পৰা এই অঞ্চললৈ হৈ থকা নানাধৰণৰ জাতি-উপজাতিৰ প্ৰব্ৰজন আৰু সংমিশ্ৰণৰ ফলশ্ৰুতি। থূলমূলকৈ অসমৰ বৰ্তমানৰ জনসংখ্যা তলত দিয়া চাৰিবিধ জাতি-প্ৰজাতিৰ পৰাই উদ্ভৱ হোৱা বুলি ভবা হৈছে।

১। প্ৰায় অষ্ট্ৰেলীয় (Proto Australoids)

২। মংগোলীয় (Mongoloids )

৩। আৰ্য-মংগোলীয় (Aryan-Mangoloids)

৪। আৰ্য-মংগোলীয়-দ্ৰাবিড় (Aryan-Mangolo-Dravidian)

প্ৰখ্যাত ভূগোলবিদ ড° মহম্মদ তাহেৰে অসমৰ জনসংখ্যাৰ মাজৰ পৰা তিনিটা প্ৰধান গোষ্ঠী চিনাক্ত কৰিছে। সেইকেইটা হ'ল—

১। অষ্ট্ৰীয়-এচিয়াটিক গোষ্ঠী (Austrio-Asiatic)

২। চীন-তিব্বতীয় (Tibeto-Chinese)

৩। ইণ্ডো-ইউৰোপীয় (Indo-European)


**অসম ঃ জনসংখ্যা বৃদ্ধি আৰু ঘনত্ব (১৯০১-২০০১)**

| বছৰ | মুঠ সংখ্যা ('০০০) (প্ৰতি দশকত) | শতাংশ পৰিৱৰ্তন (প্ৰতি বৰ্গ কিঃমিঃত) | ঘনত্ব |
|---|---|---|---|
| ১৯০১ | ৩২৯০ | — | ৪২ |
| ১৯১১ | ৩৮৪৯ | ১৬.৯৯ | ৪৯ |
| ১৯২১ | ৪৬৩৭ | ২০.৪৭ | ৫৯ |
| ১৯৩১ | ৫৫৬০ | ১৯.৯৩ | ৭১ |
| ১৯৪১ | ৬৬৯৫ | ২০.৩৭ | ৮৫ |
| ১৯৫১ | ৮০২৯ | ১৯.৯৪ | ১০২ |
| ১৯৬১ | ১০,৮৩৭ | ৩৪.৯৭ | ১৩৮ |
| ১৯৭১ | ১৪,৬২৫ | ৩৪.৯৫ | ১৮৬ |
| ১৯৮১ | ২২,৪১৪ | ২৬.৬৩ | ২৮৪ |
| ২০০১ | ২৬,৬৫৫ | ১৮ | ৩৪০ |

বিঃ দ্ৰঃ ১৯৮১ চনত অসমৰ আভ্যন্তৰীণ অস্থিৰতাৰ বাবে লোক-পিয়ল হোৱা নাছিল।

**উৎস ঃ** statistical HandBook of Assam, 2006 Govt of Assam.

অসমৰ জনসংখ্যাক কেইবাটাও দিশৰ পৰা বৰ্গীকৰণ কৰিব পাৰি। ইয়াৰ ভিতৰত ধৰ্ম, জাতি আৰু ভাষাই হ'ল প্ৰধান। ধৰ্মীয় দিশৰ পৰা চাবলৈ হ'লে আমাৰ ৰাজ্যত মুঠতে ৬টা প্ৰধান ধৰ্মাৱলম্বীৰ লোককে ধৰি বিভিন্ন ধৰ্মৰ লোকে বসবাস কৰে। এই প্ৰধান ধৰ্মকেইটা হ'ল হিন্দু, মুছলমান, খ্ৰীষ্টিয়ান, শিখ, বৌদ্ধ আৰু জৈন। মুঠ জনসংখ্যাৰ ৬৪.৮৯ শতাংশ হিন্দু, ৩০.৯২ শতাংশ মুছলমান, ৩.৭ শতাংশ খ্ৰীষ্টিয়ান, ০.১৯ শতাংশ বৌদ্ধ, ০.০৯ শতাংশ জৈন, ০.০৮ শতাংশ শিখ আৰু অৱশিষ্ট ১.৩ শতাংশ লোক জড়োপাসক অথবা নাস্তিক ভাবধাৰাৰ অনুগামী।




*চিত্ৰ ১৬.২ ঃ অসমত জনবসতিৰ ঘনত্ব*

অসমত অসমীয়াই প্ৰধান ভাষা যদিও আৰু বহুতো বেলেগ বেলেগ ভাষা আৰু উপ-ভাষা যেনে— বাঙালী, হিন্দী, বড়ো, কাৰ্বি, ৰাভা, মিচিং, নেপালী, মণিপুৰী, ডিমাচা, কুকি, মাৰ আদি প্ৰচলিত।

২০০১ চনৰ লোকপিয়ল অনুযায়ী অসমৰ মুঠ জনসংখ্যাৰ শতকৰা ১১.২৩ ভাগ অনুসূচিত জনজাতি আৰু শতকৰা ৬.৭৬ ভাগ অনুসূচিত জাতিৰ লোক। অসমৰ জনজাতীয় লোকসকলৰ ভিতৰত বড়ো, মিচিং, কাৰ্বিং, ৰাভা, টিৱা, ডিমাচা, কুকি, মাৰ আদিয়েই প্ৰধান।

১৯৯১-২০০১ চনত অসমৰ জনসংখ্যাৰ দশকীয় বৃদ্ধিৰ হাৰ আছিল ১৮.৬৬ শতাংশ। ১৯০১ চনৰ পৰা ১৯৫১ চনলৈকে অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰৰ উঠা-নমা পৰিলক্ষিত হয়। আৰু ১৯৫১-৯১ চনলৈকে অসমৰ জনসংখ্যা বৃদ্ধিৰ হাৰ যথেষ্ট বৃদ্ধি হৈ সৰ্বভাৰতীয় হাৰতকৈও বেছি হয়গৈ। পিচে ১৯৯১-২০০১ চনৰ জনসংখ্যা বৃদ্ধিৰ হাৰ সৰ্বভাৰতীয় হাৰতকৈ কম হৈছে।

অসমৰ ২০০১ চনৰ জনবসতিৰ ঘনত্ব ১৯৯১ চনতকৈ প্ৰতি বৰ্গ কিলোমিটাৰত কিছু পৰিমাণে বৃদ্ধি পাইছে। ৰাজ্যৰ জনবসতিৰ ঘনত্ব ২০০১ চনৰ লোকপিয়লমতে প্ৰতি বৰ্গ কিলোমিটাৰত ৩৪০ জন যিটো সৰ্বভাৰতীয় হাৰতকৈ (৩২৪ জন প্ৰতি বৰ্গ কিলোমিটাৰত) বেছি। ৬০৪ জন প্ৰতি বৰ্গ কিলোমিটাৰ হাৰেৰে নগাঁও জিলাৰ জনবসতিৰ ঘনত্ব অসমৰ জিলাসমূহৰ ভিতৰত আটাইতকৈ বেছি। আনহাতে পাহাৰীয়া জিলা ডিমা হাচাওত বিভিন্ন প্ৰাকৃতিক, অৰ্থনৈতিক আৰু সামাজিক কাৰকৰ প্ৰভাৱে বৰ্তমানো জনসংখ্যাৰ ঘনত্ব কম (৩৮ জন প্ৰতি বৰ্গ কিলোমিটাৰত) অসমৰ ভিতৰতে আটাইতকৈ কম হৈ থকাত সহায় কৰিছে।

## গ্ৰাম্য আৰু নগৰীয়া জনবসতি ঃ

২০০১ চনৰ লোক পিয়ল অনুসৰি অসমৰ শতকৰা ৮৭.২৮ ভাগ লোকেই গাঁৱত বাস কৰে। ভাৰতৰ আন ৰাজ্যৰ তুলনাত অসমত নগৰীকৰণ অতি লেহেমীয়া গতিৰে হৈছে। ২০০১ চনৰ লোক পিয়লমতে ভাৰতত নগৰত বাস কৰা লোকৰ সংখ্যা শতকৰা ৩৩ ভাগ হোৱাৰ বিপৰীতে অসমত এই সংখ্যা শতকৰা ১২.৭২ ভাগ। এই সংখ্যা সমগ্ৰ ভাৰতৰ ভিতৰতে আটাইতকৈ কম। বৰ্তমান অসমৰ মুঠ নগৰৰ সংখ্যা ১২৫ খন। ইয়াৰে ভিতৰত ৮.৮ লাখ জনসংখ্যাৰে গুৱাহাটী সমগ্ৰ অসম তথা উত্তৰ-পূৱৰে আটাইতকৈ ডাঙৰ মহানগৰ। অসমৰ আন উল্লেখযোগ্য নগৰসমূহ হৈছে ডিব্ৰুগড়, শিলচৰ, তেজপুৰ, যোৰহাট, শিৱসাগৰ, ধুবুৰী, বৰপেটা, উত্তৰ লখিমপুৰ, নগাঁও, তিনিচুকীয়া ইত্যাদি।

২০০১ চনৰ লোক পিয়লমতে অসমত শিক্ষিতৰ হাৰ সৰ্বভাৰতীয় শিক্ষিতৰ হাৰতকৈ (শতকৰা ৬৫.৩৮ ভাগ) কিছু কম। অসমৰ মুঠ শিক্ষিতৰ হাৰ শতকৰা ৬৪.২৮ ভাগৰ শতকৰা ৭১.৮৩ ভাগ পুৰুষ আৰু শতকৰা ৫৮.০৩ ভাগ মহিলা। শিক্ষিতৰ হাৰৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ মাজত এক বহল পাৰ্থক্য মন কৰিবলগীয়া আৰু ই এক প্ৰকাৰে আমাৰ ৰাজ্যৰ অনুন্নত অৱস্থাকে সূচায়।

## অৰ্থনৈতিক অৱস্থা

২০০১ চনৰ লোকপিয়ল মতে অসমৰ কৰ্মত নিয়োজিত হৈ থকা লোকসকলৰ শতকৰা ৫৩ ভাগৰ কৃষিয়েই হ'ল প্ৰধান জীৱিকা। অসমৰ সমগ্ৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মাটি অতি সাৰুৱা হোৱাৰ উপৰি মৌচুমী বায়ুৰ প্ৰভাৱত হোৱা প্ৰচুৰ বৃষ্টিপাতৰ বাবে প্ৰায় গোটেই ৰাজ্যখন কৃষিৰ বাবে বৰ উপযোগী। অসমৰ কৃষিৰ বৈশিষ্ট্যসমূহ হ'ল— ক্ষুদ্ৰ আকাৰৰ খেতিপথাৰ, জনমূৰি মাটিৰ সীমিত পৰিমাণ, মৌচুমী বায়ুৰ ওপৰত অধিক নিৰ্ভৰশীলতা, পৰম্পৰাগত কৃষি পদ্ধতি, জলসিঞ্চনৰ সীমিত সুবিধা, বানপানীৰ প্ৰভাৱ ইত্যাদি।

অসমৰ বিভিন্ন কৃষিজ দ্ৰব্যসমূহ বছৰৰ বিভিন্ন সময়ত উৎপন্ন কৰা হয়। সেই অনুযায়ী এই দ্ৰব্যসমূহক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। যেনে—

১। খাৰিফ শস্য

২। ৰবি শস্য।

খাৰিক শস্যৰ খেতি এপ্ৰিল-মে' মাহত বৰষুণ অহাৰ লগে লগে আৰম্ভ কৰা হয় আৰু নৱেম্বৰ-ডিচেম্বৰ মাহত শস্য চপোৱা হয়। ধান (শালি, বাও), মৰাপাট, কুঁহিয়াৰ আদি এইবিধ শস্যৰ অন্তৰ্গত।

আনহাতে কিছুমান বিশেষ বিশেষ শস্যৰ খেতি শীতকালি আৰম্ভ কৰি জহকালিৰ আগভাগত চপোৱা হয়। এইবিলাক শস্যক ৰবি শস্য বোলা হয়। আহুধান, বড়োধান, সৰিয়হ, মাহ, তিল, ধপাত, ঘেঁহু, মাকৈজোৰা, নানাধৰণৰ শাক-পাচলি আৰু ফলমূল ৰবি শস্যৰ ভিতৰত পৰে।

**ধান ঃ** ধানেই হ'ল অসমৰ প্ৰধান কৃষিজাত দ্ৰব্য। ৰাজ্যৰ খেতি কৰা মুঠ মাটি আৰু খাদ্য শস্য উৎপাদন কৰা মুঠ মাটিৰ ক্ৰমান্বয়ে শতকৰা ৬৪.৫২ ভাগ আৰু ৯১.৪৩ ভাগ মাটিতেই ধান খেতি কৰা হয়। অসমত প্ৰধানকৈ শালি, আহু, বাও আৰু বড়ো— এই চাৰিবিধ ধানৰ খেতি কৰা হয়। ইয়াৰ ভিতৰত অৱশ্যে শালিধানৰ প্ৰধান্য অধিক। অসমত ধান খেতি কৰা মাটিৰ পৰিমাণ প্ৰত্যেক বছৰেই বৃদ্ধি পাইছে।

অসমৰ পাহাৰীয়া জিলাকেইখনত প্ৰধানকৈ ঝুম পদ্ধতিৰে ধান খেতি কৰা হয়। ঝুম পদ্ধতি মাটিৰ কাৰণে অনিষ্টকাৰক। এনেকৈ খেতি কৰাৰ ফলত মাটিৰ উৰ্বৰতা হ্ৰাস হোৱাৰ উপৰি মাটি ক্ষয় হয়। সেইকাৰণে আজিকালি এই ঠাইসমূহত বেদীকা কৃষি প্ৰচলন আৰম্ভ কৰা হৈছে।

**কুঁহিয়াৰ ঃ** ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় গোটেইকেইখন জিলাতে কম-বেছি পৰিমাণে কুঁহিয়াৰ খেতি কৰা হয় যদিও গোলাঘাট, যোৰহাট, শিৱসাগৰ আৰু নগাঁও— এই জিলাকেইখনত এই খেতি বেছিকৈ হয়। বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাতো কুঁহিয়াৰ খেতি ভাল হয়।

**মৰাপাট ঃ** অসমত উৎপাদন হোৱা উপাৰ্জক শস্যসমূহৰ ভিতৰত মৰাপাটেই হ'ল প্ৰধান আঁহজাতীয় উপাৰ্জক শস্য। অসমৰ গৰম-


সেমেকা মৌচুমী জলবায়ু মৰাপাট খেতিৰ বাবে বৰ উপযোগী। সাধাৰণতে দ-পলসুৱা মাটিত এই খেতি কৰা হয় আৰু মৰাপাটৰ গছবোৰ কাটি দীঘলে দীঘলে মুঠা বান্ধি পানীত গোৰাই থোৱা হয়। (ওপৰৰ ছালখন পচিলে বাকলিবোৰ গুচাই ভালকৈ ধুই ৰ'দত শুকুৱালেহে ইয়াৰ আঁহবোৰ ওলায় আৰু ব্যৱহাৰযোগ্য হয়)। মৰাপাট খেতিত গোবাৰৰ কাৰণে আৰু ধুবৰ বাবে প্ৰচুৰ পানীৰ দৰকাৰ। সেইকাৰণে এই খেতি জলাশয়ৰ ওচৰত, আনকি খৰালিও পানী থকা ডোবা, খাল, পুখুৰী, নৈ আদিৰ ওচৰে-পাঁজৰে কৰা হয়। মৰাপাটৰ খেতি ফেব্ৰুৱাৰী আৰু জুলাই-আগষ্ট মাহৰ ভিতৰত কৰা হয়। অসমৰ ধিং, খাৰুপেটীয়া, গোৱালপাৰা, বিলাসীপাৰা আদি ঠাইসমূহ মৰাপাট উৎপাদনৰ প্ৰধান কেন্দ্ৰ।

**চাহপাত ঃ**

চাহ অসমৰ প্ৰধান উপাৰ্জক শস্য। চাহ খেতিৰ বাবে প্ৰয়োজনীয় আটাইবোৰ অনুকূল অৱস্থা যেনে— গড়ে বছৰি ১৫০-২৫০ চেঃমিঃৰ নিয়মীয়া বৰষুণ, ৩০° চেণ্টিগ্ৰেডৰ ওপৰত তাপমাত্ৰা, পানী নোৰোৱা এঢলীয়া অম্লপুষ্ট মাটি আদি অসমত বিৰাজ কৰাৰ বাবে ইয়াত চাহ খেতি বৰ ভাল হয়। অসমত প্ৰায় ৮৫০ খনতকৈও অধিক ডাঙৰ চাহ বাগিচা থকাৰ উপৰিও আজিকালি বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ বাগিচাও আছে। ইয়াৰে বেছিভাগ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বিলসমূহত অৱস্থিত। অসমত বৰ্তমান প্ৰায় ২,৭১,১৩৫ হেক্টৰ মাটিত চাহ খেতি কৰা হয়।

উপৰোক্ত শস্যসমূহৰ উপৰি অসমত আজিকালি ঘেঁহুৰ খেতিও কৰা হয়। ৰাজ্যৰ শতকৰা মাটিৰ শতকৰা প্ৰায় ৩ ভাগত এই খেতি কৰা হয়। ইয়াৰ সৰহখিনিয়েই নামনি অসমৰ জিলাকেইখনত কৰা হয়।

ইয়াৰ বাহিৰে অসমত দাইল আৰু মাহজাতীয় শস্যৰ খেতিও যথেষ্ট পৰিমাণে কৰা হয়। দাইল বা মাহৰ খেতি কৰিলে মাটিৰ উৰ্বৰতা বাঢ়ে; কাৰণ এইবোৰ 'লেগুমিনাছ' (Leguminous) উদ্ভিদ (ইহঁতৰ শিপাত নাইট্ৰ'জেন জমা হয় আৰু এই নাইট্ৰ'জেন মাটিৰ লগত মিহলি হ'লে মাটিৰ উৰ্বৰতা বাঢ়ে)। এইধৰণৰ শস্যৰ খেতিয়ে ৰাজ্যৰ কৃষিভূমিৰ শতকৰা ৪.৫ ভাগ মাটি আৱৰি আছে।



www.dailyassam

*চিত্ৰ ১৬.৩ ঃ অসমত চাহখেতিৰ অঞ্চলসমূহ*

অসমত বিভিন্ন তেলজাতীয় শস্য যেনে— সৰিয়হ, তিল, সেৰা সৰিয়হ (rape seed) আদিৰ খেতিও কৰা হয় আৰু ৰাজ্যৰ খেতিৰ মাটিৰ শতকৰা ১০ ভাগ এইধৰণৰ খেতিৰ বাবে ব্যৱহাৰ কৰা হয়।

ওপৰত উল্লেখ কৰা কৃষিৰ উপৰি গাঁৱৰ ফালে থকা অসমীয়া মানুহ প্ৰায় সকলোৰে বাৰীত তামোল-পাণ আছে। তদুপৰি অসমত বিভিন্নধৰণৰ শাক-পাচলি (আলু, কবি, তিঁয়হ, লাও, কোমোৰা, জিকা, বেঙেনা, আদা, হালধি, নহৰু) আৰু ফলমূল (আম, কল, কঠাল, আনাৰাস, নাৰিকল, অমিতা, বগৰী, লিচু) আদি উৎপন্ন হয়। পিচে এই খেতিসমূহ শৃংখলাবদ্ধ নহয়।

**শিল্পোদ্যোগ ঃ** ভাৰতৰ আন বহুতো ৰাজ্যতকৈ অসম কৃষিজ, বনজ আৰু খনিজ সম্পদত চহকী। তথাপি স্বাধীনোত্তৰ অসমৰ শিল্পোদ্যোগৰ ক্ষেত্ৰত যি খৰতকীয়া উন্নয়ন হোৱা উচিত আছিল তেনে কোনো বিশেষ উন্নয়ন অসমত এতিয়ালৈকে পৰিলক্ষিত হোৱা নাই। অতি পুৰণিকালৰে পৰা অসম বিভিন্নধৰণৰ ক্ষুদ্ৰ আৰু কুটীৰ শিল্প (পাট, এড়ী, মুগাৰ কাপোৰ, কাঁহ-পিতলৰ, বাচন-বৰ্তন, বাঁহ-বেতৰ সা-সৰঞ্জাম) আদিৰ ক্ষেত্ৰত আগবঢ়া যদিও এইবিলাক শৃংখলাবদ্ধ নহয় আৰু প্ৰধানকৈ অসংগঠিত খণ্ডৰহে অন্তৰ্ভুক্ত স্বাধীনতাৰ আগতে, যি সময়ত ভাৰতৰ এখন-দুখন ৰাজ্যৰ বাহিৰে ক'তো বৃহৎ উদ্যোগ নাছিল তেনে এক সময়তেই অসমৰ ডিগবৈত দেশৰ প্ৰথমটো খাৰুৱা তেল শোধনাগাৰ (১৯০১) আৰু অবিভক্ত লখিমপুৰ জিলাত ভাৰতৰ প্ৰথম চাহ উদ্যোগ (১৮৩৩) বৃটিছসকলে স্থাপন কৰিছিল। চাহ উদ্যোগৰ লগতে প্ৰয়োজনীয় প্লাইউড উদ্যোগও সমসাময়িক সময়তে আৰম্ভ কৰা হৈছিল। তাৰ পিচত কিন্তু স্বাধীনোত্তৰকালত প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও অসমত নতুন উদ্যোগৰ বিশেষ সম্প্ৰসাৰণ ঘটা নাই। তথাপি অৱশ্যে উত্তৰ-পূবৰ আন ৰাজ্যসমূহতকৈ অসমেই উদ্যোগৰ ক্ষেত্ৰত কিছু আগবঢ়া। অসমত বৰ্তমান প্ৰায় ১৩০টা ডাঙৰ আৰু মজলীয়া শিল্পোদ্যোগ আছে। অসমত প্ৰাপ্ত কেঁচা সামগ্ৰীৰ ভিত্তিত যিবোৰ শিল্প গঢ়ি উঠিছে, সেইবোৰক প্ৰধানকৈ তলত দিয়াধৰণেৰে তিনিভাগত ভগাব পাৰি।

**১। কৃষি মূল শিল্প ঃ** চাহ, চেনি, মিঠাতেলকে ধৰি বিভিন্ন খোৱা তেল, আটা-ময়দা, গাখীৰ আৰু গাখীৰজাত সামগ্ৰী, বিস্কুট, ফল-মূল সংৰক্ষণ, চাউল ইত্যাদি আৰু আঁহজাতীয় শিল্প (মৰাপাট, কঁপাহী সূতা, পাটসূতা, মুগা সূতা আৰু কাপোৰ বোৱা ক'ল ইত্যাদি)

**২। খনি মূল শিল্প ঃ** (পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ, কয়লা, চূণশিলৰ ওপৰত ভিত্তি কৰি হোৱা উদ্যোগ)।

**৩। বনমূল উদ্যোগ ঃ** অসমৰ হাবি-বননিৰ ওপৰত নিৰ্ভৰ কৰি কাগজ খনি আৰু কাগজ মণ্ডৰ কাৰখানা, চাহপাতৰ বাকচ, ঘৰুৱা, আচবাব নিৰ্মাণ ইত্যাদি।

**চাহ উদ্যোগ ঃ** অসমৰ সকলো উদ্যোগৰ ভিতৰত চাহ আটাইতকৈ পুৰণি আৰু গুৰুত্বপূৰ্ণ উদ্যোগ। অসমৰ চাহ উদ্যোগত শ্ৰমিক হিচাপে প্ৰায় ৬ লাখ লোক নিয়োজিত হৈ আছে আৰু তাৰে প্ৰায় আধাসংখ্যকেই (২.৭ লাখ) মহিলা। বৰ্তমান অসমত বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ বাগানো গঢ়ি উঠিছে। এনে চাহ বাগানৰ মালিকানা থকা লোকৰ সংখ্যা প্ৰায় ৩০০০। অসমে বছৰি প্ৰায় ৪৬০ নিযুত কিলোগ্ৰাম চাহপাত উৎপাদন কৰে। ই হ'ল ভাৰতৰ মুঠ চাহ উৎপাদনৰ শতকৰা ৫৪ ভাগ। অসমৰ মুঠ পঞ্জীভূত কাৰখানাৰ প্ৰায় ৩০ শতাংশই হ'ল চাহপাতৰ কাৰখানা। অসমত আগতে ক'লা ৰঙৰ চাহপাতহে (Black tea) উৎপাদন কৰা হৈছিল যদিও ১৯৮০ৰ দশকৰে পৰা সেউজীয়া চাহও (Green tea) উৎপাদন কৰা হৈছে। অসমৰ চাহ বিদেশলৈ ৰপ্তানি কৰি আমাৰ দেশে এক বুজন পৰিমাণৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰে।

## খাৰুৱা তেল আৰু পেট্ৰ'ৰাসায়নিক উদ্যোগ

চাহ উদ্যোগৰ পিচতে অসমত ই এক অতি গুৰুত্বপূৰ্ণ উদ্যোগ। দেশৰ ভিতৰতেই যে প্ৰথমটো তেল শোধনাগাৰ ১৯০১ চনত ডিগবৈত স্থাপন কৰা হৈছিল সেই কথাটো ইয়াৰ আগতে উল্লেখ কৰা হৈছে। ইয়াৰ পাচতে ক্ৰমে গুৱাহাটী (নুনমাটি), বঙাইগাঁও (বঙাইগাঁও) আৰু নুমলীগড় (গোলাঘাট জিলা) এই তিনি ঠাইত আৰু তিনিটা শোধনাগাৰ স্থাপন কৰা হয়। অসমৰ জিলা এই শোধনাগাৰসমূহে পেট্ৰলিয়াম, ডিজেল কেৰাচিন, আকাশীযানৰ তেল (aviation fuel), ফাৰ্নেচৰ তেল (Furnace oil), ইত্যাদি উৎপাদন কৰে। পেট্ৰ'লিয়াম উৎপাদনত অসম দেশৰ ভিতৰত তৃতীয় (মুম্বাই হাই আৰু গুজৰাট ক্ৰমে প্ৰথম আৰু দ্বিতীয়)।

অসমত বঙাইগাঁও শোধনাগাৰৰ লগতে এটা পেট্ৰ'ৰাসায়নিক প্ৰকল্পও আছে। ইয়াৰ উপৰি উজনিৰ ডিব্ৰুগড় জিলাৰ নামৰূপতো এটা পেট্ৰ'ৰাসায়নিক উদ্যোগ আছে। এইসমূহত নেপ্‌থা, পলিয়েষ্টাৰ, ফৰমেলিন, পেট্ৰলাইট, মেথানল আদি উৎপাদন কৰে। প্ৰাকৃতিক গেছৰ ওপৰত নিৰ্ভৰ কৰি। প্ৰাকৃতিক গেচৰ ওপৰত নিৰ্ভৰ কৰি অসমত বিভিন্ন উদ্যোগ গঢ়ি উঠিছে। সেইবোৰ হ'ল নামৰূপ অসম গেছ কোম্পানী, নামৰূপ সাৰ কাৰখানা, উত্তৰ গুৱাহাটীৰ বন্ধন গেছ কাৰখানা (LPG Bottling Plant) ইত্যাদি। ডিব্ৰুগড়ৰ ওচৰৰ টেঙাখাততো এটা গেছ ক্ৰেকাৰ প্ৰকল্প নিৰ্মীয়মান অৱস্থাত আছে।

**চিমেণ্ট উদ্যোগ ঃ** অসমৰ কাৰ্বি আংলং জিলাৰ বোকাজানত Indian Cement Corporationৰ এটা ১.৮ লাখ মেট্ৰিক টন ক্ষমতাৰ চিমেণ্ট উদ্যোগ আছে। এই কাৰখানালৈ কাৰ্বি আংলঙৰে দিল্লাই পাহাৰৰ পৰা ৩৫ কিলোমিটাৰ দীঘল ৰজ্জুপথেৰে চূণশিল অনা হয়। কাৰখানাত প্ৰয়োজনীয় কয়লা আৰু জিপচাম ওচৰতে পোৱা যায়।

**মৰাপাট উদ্যোগ ঃ** অসমত মৰাপাটৰ উৎপাদন উৎসাহজনক যদিও এই উদ্যোগত অসম বিশেষ আগবাঢ়িব পৰা নাই। ১৯৭০ চনত নগাঁৱৰ শিলঘাটত ব্ৰহ্মপুত্ৰৰ দাঁতিত স্থাপন হোৱা কাৰখানাটোৱে বস্তা আৰু মৰাপাটৰ কাপোৰ, উৎপাদন কৰে।

**কাগজ উদ্যোগ ঃ**

অসমৰ বনজ সম্পদ প্ৰধানকৈ বাঁহৰ ওপৰত ভিত্তি কৰি জাগীৰোড (মৰিগাঁও জিলা) আৰু পঞ্চগ্ৰামত (হাইলাকান্দি জিলা) দুটা কাগজৰ কল স্থাপন কৰা হৈছে। এই দুয়োটা ৰাজহুৱা খণ্ডৰ গুৱাহাটীৰ ওচৰত আমিনগাঁৱতো ব্যক্তিগত খণ্ডৰ এটা সৰু কাগজৰ কল আছে।

**প্লাইউড উদ্যোগ ঃ**

এই উদ্যোগৰ বাবে প্ৰয়োজনী কাঠ অসমৰ বিস্তৃত হাবি-বননিত পোৱাৰ উপৰি অসমৰ চাহ বাগিচাসমূহ হ'ল ইয়াৰ বজাৰ। কাৰণ প্লাইউডৰ পৰা প্ৰধানকৈ চাহৰ বাকচেই তৈয়াৰ কৰা হয়, অসমে গোটেই ভাৰতৰ শতকৰা ৬৫ ভাগ প্লাইউড নিৰ্মাণ কৰে। এই উদ্যোগ প্ৰধানকৈ উজনিৰ মাৰ্ঘেৰিটা আৰু মৰিয়নীৰ ফালে আছে।

**বস্ত্ৰ শিল্প ঃ**

অতীজৰে পৰা অসমত পাট, মুগা, এড়ী, আৰু কপাহী সূতা কটা আৰু কাপোৰ বোৱা এটা ঘৰুৱা শিল্প হিচাপে প্ৰচলিত হৈ আহিছে। বৰ্তমান অসমৰ বহুতো ঠাইত ব্যক্তিগতভাৱে বা 'আত্মসহায়ক গোট'সমূহৰ জৰিয়তে পাট, মুগা এড়ী আৰু কপাহী বস্ত্ৰ নিৰ্মাণ ব্যৱসায়িকভিত্তিত আৰম্ভ কৰি উপকৃত হৈছে। অসমৰ শুৱালকুছিত এই উদ্যোগ কেন্দ্ৰীভূত হৈ আছে বাবে ইয়াক 'বস্ত্ৰনগৰী' বুলি জনা যায়। ইয়াৰ উপৰি পলাশবাৰী আৰু ৰহাতো এই উদ্যোগ ব্যৱসায়িক ভিত্তিত গঢ় লৈ উঠিছে।

উপৰোক্ত উদ্যোগসমূহৰ বাহিৰেও অসমৰ গোলাঘাট, কৰিমগঞ্জ আৰু নগাঁও জিলাত চেনি উদ্যোগ আছে। অসমৰ প্ৰায় প্ৰত্যেকখন জিলাতে বাঁহ বেতৰ সামগ্ৰী তৈয়াৰ কৰা হয়। এই সামগ্ৰীসমূহৰ ভিতৰত চকী, টেবুল, মূঢ়া, পাচি, খৰাহী, ডলা, সজোৱা সামগ্ৰী আৰু জাপি প্ৰধান। ইয়াৰ উপৰি হাজো আৰু সৰ্থেবাৰী কাঁহ-পিতলৰ সামগ্ৰীৰ (শৰাই, বঁটা, বাতি, কাঁহী, জাপি ইত্যাদি) শিল্প উল্লেখযোগ্য।

www.dailyassam

**বিদ্যুৎ শক্তি ঃ**

অসমৰ অসংখ্য নদীসমূহৰ উপৰি উজনি অসমত উপলব্ধ বৃহৎ প্ৰাকৃতিক গেছৰ ভাণ্ডাৰৰ পৰা আৰু কয়লাৰ পৰা ক্ৰমান্বয়ে জলবিদ্যুৎ আৰু তাপবিদ্যুৎ শক্তি উৎপাদন কৰাৰ যি সুবিধা আছে সেইটো ভাৰতৰ আন বহুতো ৰাজ্যতে নাই। তথাপি অসমত বিদ্যুৎ উৎপাদনৰ কাম আশানুৰূপ হোৱা নাই। বৰ্তমান অসমত দুটা লেখত ল'বলগীয়া জলবিদ্যুৎ প্ৰকল্প আছে— তাৰে এটা হ'ল কপিলী জলবিদ্যুৎ প্ৰকল্প আৰু আনটো হ'ল কাৰ্বি-লাংপি জলবিদ্যুৎ প্ৰকল্প। ইয়াৰ বাহিৰে কয়লা, প্ৰাকৃতিক গেছ আৰু তেলৰ (furnace oil) ওপৰত ভিত্তি কৰি গঢ়ি উঠা কেইবাটাও তাপবিদ্যুৎ কেন্দ্ৰ আছে। সেইসমূহ হ'ল বঙাইগাঁও, বৰগোলাই (মাৰ্ঘেৰিটাৰ ওচৰত), নামৰূপ, লাকুৱা, আমগুৰি, গেলেকী, কঁঠালগুৰি (দুলীয়াজানৰ ওচৰত), চন্দ্ৰপুৰ ইত্যাদি। আজিকালি অৱশ্যে পৰিবেশ সংৰক্ষণৰ স্বাৰ্থত বৃহৎ নদীবান্ধ তথা জলবিদ্যুৎ প্ৰকল্পৰ বিৰুদ্ধে জনসাধাৰণ সৰৱ আৰু সচেতন হৈ উঠিছে। বৰ্তমান ব্ৰহ্মপুত্ৰৰ আটাইতকৈ ডাঙৰ উপনদী সোৱণশিৰিৰ বুকুত নিৰ্মীয়মাণ বৃহৎ নদীবান্ধ তথা জলবিদ্যুৎ প্ৰকল্পক লৈ যথেষ্ট বিতৰ্কৰ সৃষ্টি হৈছে।


অসমত থকা সৰু জলবিদ্যুৎ প্ৰকল্পসমূহ প্ৰধানকৈ কামৰূপৰ কালমনি, থিয়পানী, নাজিৰাঘাট, বৰকাচাৰং আৰু কাৰ্বি আংলং জিলাৰ আমলং, মাজৰ, লংপাই আৰু গণপতিত অৱস্থিত।

অসমত ২০০৬ চনত ৮০৮.০৫ মেগাৱাট বিদ্যুৎ উৎপন্ন কৰা হয়। প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও অসমে গোটেই ভাৰতৰ মুঠ উৎপাদিত বিদ্যুৎ শক্তিৰ শতকৰা মাত্ৰ ০.১৬ ভাগহে উৎপাদন কৰে।

### যাতায়াত আৰু পৰিবহণ ঃ

ভাৰতৰ বেছিভাগ ৰাজ্যৰ তুলনাত অসমৰ পৰিবহণ আৰু যাতায়াতৰ ব্যৱস্থা যথেষ্ট পিচপৰা। অসমৰ এমূৰীয়া অবস্থান, পাহাৰীয়া অঞ্চলৰ ওখোৰা-মোখোৰা ভূ-প্ৰকৃতি আৰু সমভূমি অঞ্চলৰ অসংখ্য নদীসমূহ যাতায়াত পৰিবহণৰ উন্নতিৰ প্ৰধান অন্তৰায় যদিও বিগত দশকসমূহত বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰ সদিচ্ছাৰ অভাৱো ইয়াৰ আন এটা ঘাই কাৰণ বুলিব পাৰি। আগতে উল্লেখ কৰা হৈছে যে উত্তৰে হিমালয় পৰ্বত আৰু দক্ষিণে বাংলাদেশৰ মাজৰ এক অতি ঠেক ভূমিখণ্ডই অসম তথা উত্তৰ-পূবক ভাৰতৰ বাকী অংশৰ লগত সংযোগ কৰিছে। আনহাতে ১৯৪৭ চনত দেশ বিভাজনৰ পিচত ব্ৰহ্মপুত্ৰৰ নিম্ন অংশ বাংলাদেশৰ অন্তৰ্গত হোৱাৰ কাৰণে আগৰ নিচিনাকৈ জলপথৰ সংযোগো নোহোৱা হ'ল।

অসমত ৰে'লপথ পোনপ্ৰথম ১৮৮২ চনতে স্থাপন কৰা হৈছিল যদিও বিশেষ উন্নতি হোৱা নাই। বিশেষকৈ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ ৰে'লৰ ব্যৱস্থাপনা একেবাৰেই সুবিধাজনক নহয় বুলিব পাৰি। অসমত বৰ্তমান মুঠ ২২৮৪.২৮ কিলোমিটাৰহে ৰে'লপথ আছে— ইয়াৰে ১২২৭.১৬ কিলোমিটাৰ ব্ৰডগজ। অসমত গোটেই ভাৰতবৰ্ষৰ মুঠ ৰে'লপথৰ (৬৩০২৮ কিলোমিটাৰ) মাত্ৰ শতকৰা ৪ ভাগ ৰে'লপথহে আছে। উত্তৰ পূব সীমান্ত ৰে'লৱেৰ প্ৰধান কাৰ্যালয় গুৱাহাটীৰ মালিগাঁৱত অৱস্থিত।




*চিত্ৰ ১৬.৪ ঃ অসমৰ ৰাষ্ট্ৰীয় পথসমূহ*

অসমত বৰ্তমান ৩৭৫১৫ কিলোমিটাৰ স্থলপথ আছে। এইবিলাকক ৰাষ্ট্ৰীয় ঘাইপথ (National Highway), গড়কাপ্তানী পথ, জিলা পথ আৰু পঞ্চায়ত পথ— এইকেইটা ভাগত ভাগ কৰিব পাৰি। ইয়াৰে ভিতৰত ৰাষ্ট্ৰীয় ঘাইপথ হ'ল মাত্ৰ ২,৭৫৪ কিলোমিটাৰ। ইয়াৰে ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰে গোৱালপাৰাৰ পৰা ছেখোৱাঘাটলৈকে ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথে, বাইহাটাৰ পৰা তেজপুৰ হৈ মুকংচেলেকলৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ৫২নং ৰাষ্ট্ৰীয় ঘাইপথ, সেইদৰে ৩১নং ৰাষ্ট্ৰীয় ঘাইপথে গুৱাহাটীক শিলিগুড়িৰ লগত, ৩৬নং ৰাষ্ট্ৰীয় ঘাইপথে নগাঁৱক ডিমাপুৰৰ লগত, ৪০নং ৰাষ্ট্ৰীয় ঘাইপথে গুৱাহাটীক শ্বিলঙৰ লগত সংযোগ কৰিছে। এই ৰাষ্ট্ৰীয় ঘাইপথসমূহে অসমৰ প্ৰধান নগৰসমূহ সংযোগ কৰিছে আৰু এইসমূহৰ পৰা বহুতো শাখা বাট-পথে আন ঠাইসমূহক সংযোগ কৰিছে। বৰ্তমান অসমৰ ৰাষ্ট্ৰীয় ঘাইপথ কিছু কিছু অংশ বহলাই চাৰিটা লেনযুক্ত কৰি উন্নত কৰিবলৈ চেষ্টা কৰা হৈছে যদিও অসমৰ বেছিভাগ পথেই ঠেক, বাৰিষা ভাঙি-ছিঙি শোচনীয় অৱস্থা হয়। বিশেষকৈ বহুতো ভিতৰুৱা অঞ্চলৰ বাট-পথ কেঁচা আৰু বাৰিষা যান-বাহন চলাচলৰ বাবে সুচল নহয়।

### জলপথ ঃ

ব্ৰহ্মপুত্ৰ উপত্যকাত ব্ৰহ্মপুত্ৰই প্ৰধান জলপথ যদিও ইয়াৰ ডাঙৰ উপনৈসমূহ সোৱণশিৰি, জীয়াভৰলী, মানস, দিখৌ, ধনশিৰি আদিৰ নিম্নাংশও কম-বেছি পৰিমাণে নাব্য। বৰাক উপত্যকাত প্ৰধানকৈ বৰাক নদীখনহে নাব্য। ব্ৰহ্মপুত্ৰ নদীৰ পাৰত পাণ্ডু আৰু ধুবুৰী হ'ল প্ৰধান নদী বন্দৰ আৰু দুয়োটাৰে অধিক উন্নীতকৰণৰ চেষ্টা কৰা হৈছে। গুৱাহাটী, গোৱালপাৰা, পলাশবাৰী, তেজপুৰ, বিশ্বনাথ, খাৰুপেটীয়া, নিমাতীঘাট, বদতিঘাট, সোণাৰিঘাট আৰু ডিব্ৰুগড় উল্লেখযোগ্য জাহাজঘাট। দৈনন্দিন চলাচল কৰা যাত্ৰী আৰু মালবাহী জাহাজ আৰু মাৰ নাওসমূহৰ উপৰি ব্ৰহ্মপুত্ৰত আজিকালি দেশী আৰু বিদেশী ভ্ৰমণকাৰীক লৈ কিছুমান বিলাসী জাহাজও চলাচল কৰিবলৈ আৰম্ভ কৰিছে।

**আকাশীপথ ঃ**

অসমৰ এমূৰীয়া অৱস্থান, আৰু অন্যান্য যাতায়তৰ পথ বিশেষ উন্নত নোহোৱাৰ উপৰি দূৰত্বৰ বাবে ভ্ৰমণৰ সময় দীঘল হোৱাৰ বাবে বহুতো সময়ত অসম তথা উত্তৰ-পূৰ্বাঞ্চলবাসীয়ে আকাশীপথৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। দ্বিতীয় মহাযুদ্ধৰ সময়ত অসমত কেইবাটাও বিমান বন্দৰ স্থাপন কৰাত বৰ্তমান ইয়াত আকাশীপথৰ উন্নীত কৰাত সুবিধা হৈছে। বৰ্তমান অসমৰ বৰঝাৰত (গুৱাহাটী) থকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰটো হ'ল এক আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ। ইয়াৰ উপৰি ৰৌৰিয়া (যোৰহাট), মোহনবাৰী (ডিব্ৰুগড়), শালনী (তেজপুৰ), লীলাবাৰী (লখিমপুৰ), কুম্ভীৰগ্ৰাম (শিলচৰ) আদি বিমান বন্দৰসমূহৰ পৰা ভাৰতৰ বিভিন্ন মহানগৰসমূহলৈ (লগতে উত্তৰ-পূবৰ কিছুমান ঠাইলৈ) চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিভিন্ন এয়াৰলাইনছৰ প্ৰতিদিনে বহুতো বিমান চলে।

## অনুশীলনী

১। তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখা—

(ক) অসমৰ অক্ষৰৈখিক আৰু দ্ৰাঘিমাৰৈখিক বিস্তৃতি কি?

(খ) অসমৰ সীমাত থকা বিদেশী ৰাষ্ট্ৰ দুখনৰ নাম কি কি?

(গ) অসমৰ নদী গঠিত সমভূমি অঞ্চল দুটা কি কি?

(ঘ) ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকাৰ মাজত বিচ্ছেদক ৰূপে থকা পাহাৰলানিৰ নাম কি?

(ঙ) ব্ৰহ্মপুত্ৰৰ উৎসটোৰ নাম কি?

(চ) বাংলাদেশত সোমোৱাৰ পিচতে ব্ৰহ্মপুত্ৰ নদী কি নামেৰে জনাজাত?

(ছ) অসমৰ পাহাৰীয়া জিলা দুখনৰ নাম কি কি?

(জ) অসমত উৎপাদিত প্ৰধান উপাৰ্জক শস্যকেইটাৰ নাম লিখা।

(ঝ) অসমত প্ৰথমটো তেল শোধনাগাৰ ক'ত আৰু কেতিয়া স্থাপন হৈছিল?

(ঞ) ২০০১ চনৰ লোক পিয়লমতে অসমৰ মুঠ জনসংখ্যা কিমান?

২। শুদ্ধ উত্তৰটো বাছি উলিওৱা—

(i) অসমৰ আয়তন

(ক) ৭৮,৪০০ বৰ্গ কিলোমিটাৰ

(খ) ৭০,৪৩৮ বৰ্গ কিলোমিটাৰ

(গ) ৬৮,৪২৪ বৰ্গ কিলোমিটাৰ

(ঘ) ৭৮,৪৩৪ বৰ্গ কিলোমিটাৰ

www.dailyassam

(ii) বৰাক নদী

(ক) অৰুণাচল প্ৰদেশৰ

(খ) নাগালেণ্ডৰ

(গ) মণিপুৰৰ

(ঘ) মেঘালয়ৰ

পাৰ্বত্য অঞ্চলৰ পৰা ওলাইছে

(iii) কাৰ্বি আংলং জিলাৰ বোকাজানত

(ক) কাগজৰ কাৰখানা

(খ) পাট-সূতাৰ কাৰখানা

(গ) চিমেণ্টৰ কাৰখানা

(ঘ) লো-তীখাৰ কাৰখানা আছে।

(iv) ২০০১ চনৰ লোকপিয়ল অনুসৰি অসমৰ গাঁৱত বাস কৰা লোকৰ সংখ্যা মুঠ জনসংখ্যাৰ শতকৰা—

(ক) ৮৭.২৮ ভাগ

(খ) ৮০.২৮ ভাগ

(গ) ৮২.০৫ ভাগ

(ঘ) ৭৭.২০ ভাগ

(v) ২০০১ চনৰ লোকপিয়ল মতে অসমৰ জনবসতিৰ ঘনত্ব হ'ল (প্ৰতিবৰ্গ কিলোমিটাৰত)

(ক) ৩৮০ জন

(খ) ২১০ জন

(গ) ২৮০ জন

(ঘ) ৩৪০ জন

(vi) দীপৰ বিল এখন/এটা

(ক) ব্যাঘ্ৰ প্ৰকল্প

(খ) ৰাষ্ট্ৰীয় উদ্যান

(গ) পক্ষী অভয়াৰণ্য

(ঘ) মৎস্য প্ৰকল্প

(vii) ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান কত অৱস্থিত

(ক) ডিব্ৰুগড় জিলাত

(খ) গোলাঘাট জিলাত

(গ) তিনিচুকীয়া জিলাত

(ঘ) শিৱসাগৰ জিলাত

**৩। উত্তৰ লিখা (১৫০টা মান শব্দৰ ভিতৰত)**

(ক) অসমৰ ভূপ্ৰাকৃতিক অৱয়বৰ এটি বৰ্ণনা দিয়া।

(খ) অসমৰ জলবায়ুৰ এটি চমু বৰ্ণনা দিয়া।

(গ) কেনেধৰণৰ প্ৰাকৃতিক উদ্ভিদ অসমত পোৱা যায়? অসমৰ উদ্ভিদ আৰু পশু সম্পদৰ বিষয়ে চমুকৈ লিখা।

(ঘ) অসমৰ জনসংখ্যা বিতৰণৰ এটি বৰ্ণনা দিয়া।

(ঙ) অসমৰ প্ৰধান কৃষিজাত দ্ৰব্যসমূহৰ বিষয়ে চমু বৰ্ণনা দিয়া।

(চ) অসমৰ ঔদ্যোগিক বিকাশত প্ৰতিবন্ধক জন্মোৱা কাৰণসমূহ লিখা।

**৪। চমুটোকা লিখা—**

(ক) কাৰ্বি মালভূমি

(খ) ব্ৰহ্মপুত্ৰ উপত্যকা

(গ) অসমৰ নদ-নদী

(ঘ) অসমৰ খনিজ-সম্পদ

(ঙ) অসমৰ চাহ উদ্যোগ

(চ) অসমৰ জনসংখ্যা বৃদ্ধি আৰু বিতৰণ।

□□□